# পোহৰ আৰু আন্ধাৰ

## সাধাৰণ বিজ্ঞান

**১। সূৰ্যই পৃথিৱীৰ ওপৰত কেনেকুৱা প্ৰভাৱ পেলায় ?**

**উত্তৰঃ** দিনত আমি সূৰ্য্যৰ পৰা পোহৰ পাওঁ। সূৰ্য্যৰ পোহৰ নথকা বাবে ৰাতি আন্ধাৰ হয়।

**২। পোহৰৰ উৎসসমূহ কি?**

**উত্তৰঃ** যিবিলাক বস্তুৰ পৰা আমি পোহৰ পাওঁ, সেইবিলাক পোহৰৰ উৎস।

**৩। সূৰ্যৰ পোহৰক কি বুলি কোৱা হয়?**

**উত্তৰঃ** সূৰ্য্যৰ পোহৰক প্ৰাকৃতিক পোহৰ বা বগা পোহৰ বুলি কোৱা হয়।

**৪। পোহৰৰ কণিকাক কি বোলে?**

**উত্তৰঃ** পোহৰৰ কনিকাক ফটল বোলে।

**৫। চন্দ্ৰই কৰপৰা পোহৰ পৃথিৱীলৈ পঠায় ?**

**উত্তৰঃ** চন্দ্ৰই সূৰ্য্যৰ পোহৰ পৃথিৱীলৈ পঠায়।

**৬। বাদুলিয়ে কেনেকৈ খাদ্যৰ সন্ধান কৰে?**

**উত্তৰঃ** বাদুলিয়ে নিশা নিজস্ব ছ'নাৰ ব্যৱহাৰ কৰি খাদ্যৰ সন্ধান কৰে।


## অনুশীলনী

**১। পোহৰৰ উৎস কেইবিধমানৰ নাম লিখাঁ।**

**উত্তৰঃ** কেইবিধমান পোহৰৰ উৎস হ'ল–সূৰ্য্য, চন্দ্ৰ, চাকি, লেম্প, বৈদ্যুতিক বালব ইত্যাদি।

**২। সূৰ্য্যৰ পোহৰ আৰ্চীত পৰি উভতি ছবিৰ সহায়েৰে দেখুওৱা?**

**উত্তৰঃ** সূৰ্য্যৰ পোহৰ আৰ্চীত পৰি অন্য দিশলৈ উভতি যোৱাকে পোহৰৰ প্ৰতিফলন বোলে। এটা চিত্ৰৰ সহায়ত সেয়া দেখুওৱা হ'ল—




সূৰ্য্যৰ পোহৰ বিপৰীত দিশত প্ৰতিফলিত হৈছে।

**৩। সূৰ্য্যৰ পোহৰে আমাক কিদৰে সহায় কৰে?**

**উত্তৰঃ** সূৰ্য্যৰ পোহৰে আমাক বিভিন্ন ধৰণে সহায় কৰে। সূৰ্য্যটো হৈছে সকলো শক্তিৰ ভাণ্ডাৰ দিনৰ পোহৰত আমি আমাৰ প্ৰয়োজনীয় সকলোখিনি কামেই কৰি লওঁ। উদ্ভিদে সূৰ্য্যৰ পোহৰত কাৰ্বন-ডাই-অক্সাইড গেছৰ সহায়ত আহাৰ প্ৰস্তুত কৰি মানুহৰ বাবে প্ৰয়োজনীয় অক্সিজেন গেছ প্ৰদান কৰে।

**৪। জোনাকী পৰুৱাই কেনেদৰে আহাৰ বিচাৰে?**

**উত্তৰঃ** জোনাকী পৰুৱাই নিজৰ গাৰ পৰাই পোহৰ উলিয়াই আহাৰ বিচাৰে।

**৫। সূৰ্য্যৰ পোহৰক কি পোহৰ বোলে ?**

**উত্তৰঃ** সূৰ্য্যৰ পোহৰক প্ৰাকৃতিক বা বগা পোহৰ বোলে।

**৬। পোহৰৰ কনিকাক কি বোলে?**

**উত্তৰঃ** পোহৰৰ কনিকাক ফটন বোলে।

**৭। বাদুলিয়ে কেনেদৰে খাদ্যৰ সন্ধান কৰে?**

**উত্তৰঃ** বাদুলিয়ে নিজস্ব ছ’নাৰ ব্যৱহাৰ কৰি খাদ্যৰ সন্ধান কৰে।

**৮। বৈদ্যুতিক বালব কোনে কেতিয়া সাজি উলিয়াইছিল?**

**উত্তৰঃ** বৈদ্যুতিক বালব টমাছ আলভা এডিছনে ১৮৭৯ চনত সাজি উলিয়াইছিল।